**2026**

# ASSAMESE

Course Name : ভাৰতীয় সাহিত্য সমালোচনা

Course Code : ASM-PGA-2046

Full Marks : 80

Time : 3 Hours

১। যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

ক) শব্দ শক্তি বুলিলে কি বুজা ? ই কেই প্ৰকাৰ আৰু কি কি ? ব্যঞ্জনা শক্তিৰ সহায়ত নিৰ্মিত ধ্বনিকাব্যৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

খ) 'কাব্য স্যাত্মা ধ্বনিঃ' - এই সিদ্ধান্তটি কোনজন আলংকাৰিকে আগবঢ়াইছে ? ধ্বনিবাদৰ বিষয়ে উদাহৰণসহ এটি পৰ্য্যালোচনা আগবঢ়োৱা।

গ) ৰাজানক কুন্তকৰ আগতে কোন কোন আলংকৰিকে বক্ৰোক্তিৰ বিষয়ে আলোচনা কৰিছিল ? কুন্তকে প্ৰতিষ্ঠা কৰা বক্ৰোক্তিবাদৰ বিষয়ে এটি নিবন্ধ লিখা।

ঘ) ভৰতে আগবঢ়োৱা ৰসসূত্ৰটিৰ ব্যাখ্যা কৰা। ভাৰতৰ ৰসসূত্ৰক আগবঢ়াই নিয়া পৰৱৰ্তী আলংকাৰিক সকলে আগবঢ়োৱা মতবাদবিলাকৰ নাম উল্লেখ কৰা।

ঙ) কাব্যৰ গুণ কি কি ? বামনাচাৰ্যই গুণৰ আধাৰত ৰীতিবাদৰ ধাৰণটি কিদৰে প্ৰতিষ্ঠা কৰিছে সেই বিষয়ে এটি আলোচনা প্ৰস্তুত কৰা।

চ) বংগদেশৰ ভক্তিবাদী আলংকাৰিকসকলে সাহিত্যত ভক্তিৰ স্বৰূপ আৰু ৰসৰ বিষয়ে কিদৰে ব্যাখ্যা কৰিছে আলোচনা কৰা।

ছ) ভাৰতত দেশীবাদী ধাৰণাৰ বিকাশ কিদৰে হৈছিল সেই সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা।

জ) আমেৰিকা আৰু ইউৰোপত সংঘটিত Nativist আন্দোলনৰ লগত ভাৰতীয় দেশীবাদী ধাৰণাৰ মিল আৰু অমিল কি কি এই বিষয়ে আলোচনা কৰা।

২। চমুটোকা লিখা (যিকোনো চাৰিটা) ঃ ৫×৪=২০

(ক) অভিনৱগুপ্ত (খ) ভৰত

(গ) আচাৰ্য বামন (ঘ) ৰূপ গোস্বামী

(ঙ) ভাৰতীয় নাটকত দেশীবাদ (চ) দেশী আৰু মাৰ্গীয় সাহিত্য

xxxxx